# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 19-01-2025
**Time :** 07-55 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এডভাণ্টেজ আছামৰ লগত সংগতি ৰাখি বিনিয়োগকাৰীক ৰাজ্যলৈ আকৰ্ষণ কৰাৰ উদ্দেশ্যে টকিঅ'ত ভাৰতীয় দূতাবাসৰ উদ্যোগত চলি থকা অসম সপ্তাহত অংশগ্ৰহণ কৰিব। এই উদ্দেশ্যে মুখমন্ত্ৰীগৰাকীয়ে এটা প্ৰতিনিধি দল লৈ কালি মাজনিশা জাপান অভিমুখে ৰাওনা হয়। টকিঅ'ত তেওঁ দেশখনৰ বিভিন্ন খণ্ডৰ বিনিয়োগকাৰীক সাক্ষাৎ কৰি ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামত অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ জনাব। ড০ শৰ্মাই টকিঅ'ত এটা ৰোড শ্ব'তো অংশগ্ৰহণ কৰিব। অসম সপ্তাহৰ জৰিয়তে অসমত বিনিয়োগৰ বাবে জাপানৰ বিনিয়োগকাৰীসকলক আকৰ্ষিত কৰাৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই অনুষ্ঠানত জাগীৰোডত স্থাপন হ'বলগীয়া ছেমি কণ্ডাক্টৰ প্ৰকল্পক বিশেষভাৱে উপস্থাপন কৰা হৈছে। মুখমন্ত্ৰীয়ে প্ৰতিৰক্ষা, পৰ্যটন, ই-উদ্যোগ আজি খণ্ডত বিনিয়োগৰ বাবে জাপানৰ বিনিয়োগকাৰীৰ মাজত প্ৰচাৰ চলাব। অসম সপ্তাহত অসমক দক্ষিণ-পূব এছিয়াৰ ৰাষ্ট্ৰসমূহৰ আটাইতকৈ ওচৰৰ আন্তৰ্জাতিক বজাৰ হিচাপে উপস্থাপন কৰা হৈছে। তদুপৰি অসমৰ প্ৰাকৃতিক প্ৰাচুৰ্য্য, ঐতিহ্য, সংস্কৃতি আদিৰ বিষয়েও ব্যাপক প্ৰচাৰ চলোৱা হৈছে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই বিনিয়োগকাৰীক আকৰ্ষণৰ উদ্দেশ্যে দক্ষিণ কোৰিয়াও ভ্ৰমণ কৰিব। দুয়োখন দেশতে তেওঁ ২৫ জানুৱাৰী পৰ্যন্ত থাকিব। তেওঁ ১০ ফেব্ৰুৱাৰীত ছিংগাপুৰলৈ ৰাওনা হ'ব আৰু ১৩ ফেব্ৰুৱাৰীলৈকে দেশখনত থাকি বিনিয়োগকাৰীৰ সন্ধান কৰিব।

ooooo

জলম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই কালি অসম জল ভৱনত বান আৰু নদী খহনীয়া ব্যৱস্থাপনা প্ৰাধীকৰণ অসমৰ অধীনত চলি থকা আঁচনিসমূহৰ এখন পৰ্যালোচনা বৈঠকত অংশ লয়। আঁচনিৰ অধীনত ডিব্ৰুগড়, তিনিচুকীয়া, মৰিগাঁও, কামৰূপ আৰু গোৱালপাৰা জিলাৰ বিভিন্ন অঞ্চলত চলি থকা ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধী কামসমূহৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে বিভাগটোৰ অভিযন্তা, ঠিকাদাৰসকলক ক্ষিপ্ৰতাৰে খহনীয়া প্ৰতিৰোধী কামসমূহ সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। একেটা প্ৰকল্পৰ অধীনত দ্বিতীয় পৰ্যায়ত শিৱসাগৰ, গোলাঘাট, যোৰহাট, ধেমাজিৰ স্পৰ্শকাতৰ অঞ্চলসমূহত খহনীয়া প্ৰতিৰোধী কাম হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooo

শিক্ষা বিভাগৰ অধীনত প্ৰাদেশিকীকৃত মাধ্যমিক বিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ নিযুক্তি পৰীক্ষা আজি অনুষ্ঠিত হ'ব। আজি দুয়োবেলা দুটা পৰ্যায়ত হ'বলগীয়া পৰীক্ষাত স্নাতক পৰ্যায়ত ৩৯ হাজাৰ ২২৪

গৰাকী প্ৰাৰ্থী আৰু স্নাতকোত্তৰ পৰ্যায়ত ৩০ হাজাৰ ৩৫৮ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। এই পৰীক্ষাৰ সময়ছোৱাত শান্তিশৃংখলা অটুট ৰখাৰ বাবে বিভিন্ন জিলাত কেতবোৰ নিৰ্দেশনা জাৰি কৰা হৈছে। জিলাসমূহত জাৰি কৰা নিৰ্দেশনা অনুসৰি পৰীক্ষা কেন্দ্ৰৰ পৰা ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত প্ৰাৰ্থী আৰু পৰীক্ষাৰ সৈতে জড়িত কৰ্তৃপক্ষৰ বাহিৰে আন ব্যক্তিৰ উপস্থিতি নিষিদ্ধ কৰা হৈছে। তদুপৰি পৰীক্ষাকেন্দ্ৰৰ চাৰিওফালে যান-বাহন ৰখাৰ  ব্যৱস্থা সীমিত কৰা হৈছে। পৰীক্ষা কেন্দ্ৰলৈ ম'বাইল ফোন, কেলকুলেটৰ, স্মাৰ্ট হাতঘড়ী, ব্লুটুথ আদি ইলেকট্ৰনিক সঁজুলি অনাৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে।

ooooo

অসম জাতীয়তবাদী যুৱ ছাত্ৰ পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ দ্বিবাৰ্ষিক অধিৱেশন কালিৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত হৈছে। শিৱসাগৰ নগৰৰ সমীপৰ ৰুদ্ৰসাগৰত থকা ড০ ভূপেন হাজৰিকা ৰংগমঞ্চত অনুষ্ঠিত এই অধিৱেশনত কালি পুৱা পতাকা উত্তোলনৰ পাছতে ছহিদ তৰ্পণ, সতীৰ্থ স্মৰণ, গছপুলি ৰোপণ আদি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ পাছতে সমন্বয় সাংস্কৃতিক শোভাযাত্ৰা আৰু সন্ধিয়ালৈ এখন মুকলি সভা অনুষ্ঠিত হয়। বিভিন্ন জাতীয় জনগোষ্ঠীয় দল-সংগঠনৰ নেতা-কৰ্মী উপস্থিত থকা মুকলি সভাখন যুৱ ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাইয়ে উদ্বোধন কৰে। অধিৱেশনৰ দ্বিতীয় দিনা আজি প্ৰতিনিধি আৰু বিষয় বাছনি সভা অনুষ্ঠিত হোৱাৰ লগতে সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰা হ'ব।

ooooo

সমাগত গণৰাজ্য দিৱসৰ ৰাষ্ট্ৰীয় কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে তিনিচুকীয়া জিলাৰ বাৰেকুৰিৰ দিপ্লৱ চুতীয়াক কেন্দ্ৰীয় চৰকাৰে আমন্ত্ৰণ জনাইছে। হলৌ সংৰক্ষণৰ বাবে দীৰ্ঘদিনে কাম কৰি অহা চুতীয়াই বাৰেকুৰি পৰিৱেশ সুৰক্ষা সমিতিৰ সহযোগত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি পৰ্যটন ক্ষেত্ৰখনলৈও যথেষ্ট অৱিহনা আগবঢ়াইছে। উল্লেখযোগ্য যে যোৱা বছৰৰ ২৫ আগষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন কী বাত অনুষ্ঠানত বাৰেকুৰিৰ হলৌৰ বিষয়ে উল্লেখ কৰিছিল। অহা ২৫ জানুৱাৰীত দিল্লীলৈ ৰাওনা হ'বলগীয়া দিপ্লৱ চুতীয়াই গণৰাজ্য দিৱসৰ ৰাষ্ট্ৰীয় সমাৰোহত অংশগ্ৰহণ কৰাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতেও এটা মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰিব বুলি জানিবলৈ দিছে।

ooooo

উমৰাংছ'ৰ অবৈধ কয়লাখনিত শ্ৰমিকৰ মৃত্যুৰ ঘটনাৰ পাছতে ৰাজ্য চৰকাৰে অবৈধ কয়লাখনিসমূহ বন্ধ কৰাৰ বাবে তৎপৰ হৈ পৰিছে। খনি আৰু খনিজাত বিভাগে কেন্দ্ৰীয় সংস্থাসমূহৰ সৈতে আলোচনা কৰি ৰাজ্যখনৰ ৰেট হোল খনি বন্ধ কৰাৰ উদ্দেশ্যে কালি মাৰ্ঘেৰিটা সম-জিলা প্ৰশাসনে এটা অভিযান চলায়। এই অভিযানকালত কয়লা খননত ব্যৱহৃত এখন এক্সকেভেটৰ জব্দ কৰাৰ লগতে তিনিজন শ্ৰমিকক আটক কৰে। নামদাঙৰ কলিয়ৰিত থকা ১৩টা অবৈধ ৰেট হোল খনি প্ৰশাসনে বন্ধ কৰি দিয়ে।

ooooo

সমাপ্ত